# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। ভূটানত তিনি দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি বিয়লি দেশখনৰ ৰাজধানী থিম্ফুত উপস্থিত।

২। ১৯৭১ চনত ভাৰতীয় সেনাবাহিনীয়ে পাকিস্তানৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰা দিনটোৰ স্মৃতিত আজি ভাৰত আৰু বাংলাদেশত বিজয় দিৱস উদযাপন।

৩। কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইৰ অবৈধ ধনৰ লেনদেন সম্পৰ্কীয় গোচৰত সংস্থাটোৰ গুৱাহাটীৰ বিশেষ আদালতত আৰু ৫ খন অভিযোগনামা দাখিল।

৪। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ২৫ শতাংশ আসন সংৰক্ষণ কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত শিক্ষা বিভাগৰ প'ৰ্টেল মুকলি। ***আৰু***

৫। ব্ৰীজবেন টেষ্টৰ তৃতীয় দিনা অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰাণৰ প্ৰত্যুত্তৰত ভাৰতৰ ৪ উইকেটৰ বিনিময়ত ৫১ ৰাণ সংগ্ৰহ।

ooooo

ভূটানত তিনি দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি ভূটানৰ ৰাজধানী থিম্ফুত উপস্থিত হৈছেগৈ। থিম্ফু বিমান বন্দৰত মুখ্যমন্ত্ৰীগৰাকীক দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী লিয়নপো ডি এন ধুংগিয়েলে আদৰণি জনায়।

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকৰ আমন্ত্ৰণমৰ্মে দেশখনৰ ৰাষ্ট্ৰীয় দিৱস উদযাপনত অংশ ল'বলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ৰাষ্ট্ৰখন ভ্ৰমণলৈ গৈছে। তিনিদিনীয়া এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমৰ কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ প্ৰস্তাৱিত ৰে'ল পথ নিৰ্মাণ সম্পৰ্কেও দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। তদুপৰি অসম তথা ভাৰতৰ সৈতে ভূটানৰ সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে দেশখনৰ ৰজা আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰিব। এই ভ্ৰমণে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সৈতে অসমৰ বন্ধুত্বৰ এনাজৰী কটকটীয়া কৰি তুলিব বুলি আশা কৰা হৈছে।

ooooo

১৯৭১ চনত ভাৰতীয় সেনাবাহিনীৰ সহযোগত পাকিস্তানৰ বিৰুদ্ধে চলোৱা মুক্তিযুদ্ধত বিজয় সাব্যস্ত কৰা আজিৰ দিনটোৰ স্মৃতিত ভাৰত আৰু বাংলাদেশৰ সেনাবাহিনীয়ে **বিজয় দিৱস** হিচাপে উদযাপন কৰিছে। বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আজি দেশখনৰ স্বাধীনতাৰ হকে যুঁজি প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈনিকসকলৰ স্মৃতিত গভীৰ শ্ৰদ্ধা তৰ্পণ কৰে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই মহান সৈনিকসকলৰ আত্মবলিদান দেশৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা হৈছে বুলি উল্লেখ কৰে আৰু তেওঁলোকৰ মহান ত্যাগে

পৰৱৰ্তী প্ৰজন্মক সদায়েই উৎসাহিত কৰি যাব বুলি মন্তব্য কৰে। অসমতো আজি বিজয় দিৱস উপলক্ষে সেনাবাহিনীয়ে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। কোকৰাঝাৰত থকা সেনাবাহিনীৰ ইক' টাস্ক ফ'ৰ্চে আজি এই উপলক্ষে আজি মটৰচাইকেল সমদল উলিয়ায়। ১৯৭১ চনৰ যুদ্ধত আত্মবলিদান দিয়া ছহিদসকলৰ ত্যাগক সন্মান জনাই উলিওৱা এই সমদল পূব কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে মুকলি কৰে। সমদলত শতাধিক লোকে অংশগ্ৰহণ কৰে। চুবুৰীয়া ৰাজ্য নাগালেণ্ডতো আজি বিজয় দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অনুষ্ঠানত অংশ লৈ ৰাজ্যপাল লা গণেশনে প্ৰতিগৰাকী ব্যক্তিকে একতা, সাহস আৰু ত্যাগৰ প্ৰমূল্যৰে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইয়ে অবৈধ ধনৰ লেনদেন সম্পৰ্কীয় গোচৰত সংস্থাটোৰ গুৱাহাটীৰ বিশেষ আদালতত আৰু ৫ খন অভিযোগনামা দাখিল কৰিছে। ১৬ গৰাকী ব্যক্তি আৰু দুটা সংস্থাকে ধৰি মুঠ ১৮ গৰাকী অভিযুক্তৰ বিৰুদ্ধে এই অভিযোগনামা দাখিল কৰা হৈছে। ইয়াৰ আগেয়ে দিল্লী চি বি আইয়েও এই গোচৰ সংক্ৰান্তত চাৰিখন অভিযোগনামা দাখিল কৰিছিল। অসম চৰকাৰৰ অনুৰোধ মৰ্মে চি বি আইয়ে যোৱা ২২ অক্টোবৰত তিনিগৰাকী অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। বিত্তীয় কেলেংকাৰিৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ ৩ মাহৰ ভিতৰত এই লোককেইজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয়। ২০ অক্টোবৰতো কেইবাটাও বিত্তীয় লেনদেনকাৰী সংস্থা আৰু ব্যক্তিৰ বিৰুদ্ধে এখন অভিযোগনামা দাখিল কৰা হৈছিল। এই তদন্তৰ প্ৰক্ৰিয়া চি বি আইয়ে অনিয়ম সংঘটিত কৰা বিত্তীয় প্ৰতিষ্ঠান আৰু ব্যক্তিৰ বিৰুদ্ধে বিতং তথ্য সংগ্ৰহ কৰাৰ লগতে এনেধৰণৰ অনিয়মৰ বলি হোৱা লোকসকলৰ তথ্যও সংগ্ৰহ কৰিছিল। এই গোচৰসমূহ সন্দৰ্ভত তদন্ত অব্যাহত আছে।

ooooo

গুৱাহাটীৰ খানাপাৰাত কালি সামৰণি পৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ অসমী সৰস মেলাত অভিলেখ সংখ্যক ১৯ কোটি ৬৯ লাখ টকাৰো অধিক সামগ্ৰী বিক্ৰী হৈছে বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰকাশ কৰিছে। যোৱা ৩০ নৱেম্বৰৰ পৰা অনুষ্ঠিত এই মেলাত অসমকে ধৰি ২৭খন ৰাজ্যৰ ২৩৮ খন বিপণীয়ে অংশ লৈছিল। ইয়াৰ ভিতৰত ৰাজ্যৰ ১৩৮টা আত্মসহায়ক গোটৰ বিপণী আৰু বহিঃৰাজ্যৰ ১০০ খন বিপণী মুকলি কৰা হৈছিল। উল্লেখযোগ্য যে বিগত বৰ্ষত এই মেলাত ৮ কোটি ৭৪ লাখ টকাৰ সামগ্ৰীহে বিক্ৰী হৈছিল। এইবাৰৰ মেলাত লখিমপুৰৰ পূৰ্ণিমা মহিলা আত্মসহায়ক গোটে এক কোটিৰো অধিক সামগ্ৰী বিক্ৰীৰে প্ৰথমস্থান লাভ কৰে। আজি মন্ত্ৰী শ্ৰীদাসে এখন সংবাদমেলযোগে এই বিষয়ে প্ৰকাশ কৰে।

**বাইট (ৰণজিৎ কুমাৰ দাস)**

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত হিতাধিকাৰী হিচাপে বাছনি লাভৰ বাবে দাখিল কৰা আবেদনৰ ভিতৰত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ পৰীক্ষণৰ অন্তত ৩২ লাখ ২১ হাজাৰৰো অধিক আবেদনত অনুমোদন জনোৱা হৈছে বুলিও পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শ্ৰীদাসে আজি প্ৰকাশ কৰে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাক স্বাৱলম্বী হোৱাৰ বাবে ১০ হাজাৰ টকাকৈ প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে। অসমৰ ৩ লাখ ৫৮ হাজাৰ মহিলা আত্মসহায়ক গোটৰ ৩৯ লাখ ২৯ হাজাৰ সদস্যাই ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ দিশত বৃহৎ অৱদান আগবঢ়োৱাৰ দিশে অগ্ৰসৰ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই আত্মসহায়ক গোটসমূহক এতিয়ালৈ ৫৫৫ কোটি টকাৰো অধিক ঘূৰ্ণীয়মান পুঁজি আৰু এহেজাৰ ২২ কোটি টকাৰো অধিক সামূহিক বিনিয়োগ পুঁজি প্ৰদান কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে

ৰাজ্য চৰকাৰৰ কনকলতা মহিলা সৱলীকৰণ যোজনাৰ অধীনত মূলধনী ৰাজ সাহায্য হিচাপে ৪৪৫ কোটি ৬৫ লাখ টকাৰ পুঁজি প্ৰদান কৰা হৈছে। অসমত সম্প্ৰতি ৮ লাখ ৮২ হাজাৰৰো অধিক মহিলাই **লাখপতি বাইদেউ** আঁচনিৰ সুবিধা লাভ কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ২৫ শতাংশ আসন সংৰক্ষণ কৰিবলৈ লোৱা পদক্ষেপৰ অংশ হিচাপে আজি শিক্ষা বিভাগে এটা প'ৰ্টেল মুকলি কৰিছে। শিক্ষাৰ অধিকাৰ আইন অনুসৰি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ত শিক্ষা বিভাগৰ অধিবক্তাই ১৩ ডিচেম্বৰত এই প'ৰ্টেল মুকলি হোৱা বুলি সদৰি কৰে। সংশ্লিষ্ট প'ৰ্টেলত বিদ্যালয়সমূহৰ পঞ্জীয়ন নিশ্চিত কৰিবলৈ বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা শিক্ষা বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে বুলিও অধিবক্তাগৰাকীয়ে ন্যায়ালয়ত প্ৰকাশ কৰে। উল্লেখযোগ্য যে শিক্ষাৰ অধিকাৰ আইন অনুসৰি ব্যক্তিগত বিদ্যালয়সমূহতো আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ২৫ শতাংশ আসন সংৰক্ষণ হ'ব লাগে যদিও একাংশ বিদ্যালয়ে এই নিয়ম উলংঘা কৰাৰ অভিযোগ উঠিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ এটা স্বেচ্ছাসেৱী সংস্থাই উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানিকালত আজি শিক্ষা বিভাগে এই প'ৰ্টেল মুকলি কৰাৰ বিষয়ে প্ৰকাশ কৰে।

০০০০০

গুৱাহাটী মহানগৰীৰ জালুকবাৰী সমজিলা কাৰ্যালয়ত আজি কামৰূপ মহানগৰ জিলা পৰিবহন বিভাগৰ উদ্যোগত **ৰাইজৰ সেৱা, ৰাইজৰ পদূলিত** শীৰ্ষক বিশেষ কাৰ্যসূচী মুকলি কৰা হয়। অহা ৩১ ডিচেম্বৰলৈ চলিবলগীয়া এই কাৰ্যসূচীত ৰাইজে যানবাহনৰ অনুজ্ঞাপত্ৰ, কৰ পৰিশোধ, নথিপত্ৰৰ সকলো কামকাজ সমজিলাৰ কাৰ্যালয়ত কৰিব পাৰিব। ৰাইজৰ অসুবিধা আঁতৰোৱাৰ বাবে পৰিবহণ বিভাগে বিশেষ গোট গঠন কৰিছে। উল্লেখযোগ্য যে জালুকবাৰীৰ লগতে ডিমৰীয়া, নিউ গুৱাহাটী আৰু দিছপুৰ সম-জিলাৰ কাৰ্যালয়তো এই সুবিধা লাভ কৰিব। ইপিনে সমাগত ৩১ ডিচেম্বৰ তথা নৱবৰ্ষৰ আনন্দ-উছাহৰ মাজত দুৰ্ঘটনা হ্ৰাস কৰাৰ লক্ষ্যৰে পৰিবহন বিভাগে নিশাৰ ভাগত সুৰাপায়ী চালকৰ বিৰুদ্ধে ব্যাপক অভিযান আৰম্ভ কৰিছে। আনহাতে বনভোজকাৰী দলৰ ক্ষেত্ৰতো বিশেষ দৃষ্টি ৰাখিছে বুলি জ্যেষ্ঠ পৰিবহণ বিষয়া গৌতম দাসে প্ৰকাশ কৰে। এই সন্দৰ্ভত তেওঁ সংবাদ মাধ্যমৰ আগত এইদৰে কয়—

**(বাইট)**

০০০০০

অসম চৰকাৰৰ বিকাশৰ ১২ দিন অনুষ্ঠানৰ অংশ হিচাপে আজি গোৱালপাৰাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ খেলপথাৰত দুদিনীয়াকৈ বঁটা বিতৰণ, আৰ্থিক অনুদান প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড০ বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটী, আনন্দৰাম বৰুৱা বঁটা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণৰ শুভাৰম্ভ কৰা হয়। কাইলৈ অসম ক্ষুদ্ৰ বিত্তিয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনি ২০২১ৰ তৃতীয় বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ৰ ঋণমুক্তি প্ৰমাণপত্ৰ, বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য, আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণ লগত জড়িত মহিলাসকললৈ প্ৰাৰম্ভিক মূলধন প্ৰদান কৰা হ'ব। কাইলৈ হ'বলগীয়া কাৰ্যসূচীতো মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব।

একেদৰে মন্ত্ৰী কেশৱ মহন্তই দৰং জিলাত বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত বিভিন্ন আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকললৈ চাইকেল আৰু হিতাধিকাৰীসকললৈ আৰ্থিক অনুদানৰ চেক বিতৰণ কৰে।

মন্ত্ৰী ৰণোজ পেগুৰ উপস্থিতিত মাজুলী জিলাত ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটাৰ লগতে ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটাৰ আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক চাইকেল প্ৰদান কৰা হয়। মন্ত্ৰী ৰণোজ পেগুৱে ভাষণত অহা বৰ্ষৰ পৰা ৮০ শতাংশ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলেহে ড০ বাণীকান্ত কাকতি মেধা বঁটা লাভ কৰিব বুলি প্ৰকাশ কৰে। লগতে তেওঁ কয়, যে প্ৰতিখন হাইস্কুলত এজনকৈ বিশেষ গণিতৰ শিক্ষক নিযুক্তি দিয়া হ'ব। অহা বৰ্ষৰ পৰা প্ৰতিখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ডিজিটেল ক্লাছৰুম স্থাপন কৰা হ'ব বুলিও তেওঁ কয়।

বিকাশৰ ১২ দিন শীৰ্ষক কাৰ্যসূচীৰ অধীনত মন্ত্ৰী যোগেন মহনে চৰাইদেউ জিলাৰ সোণাৰীত এহেজাৰ গৰাকীৰো অধিক মহিলাক আনুষ্ঠানিকভাৱে মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফ পত্ৰ প্ৰদান কৰে। লগতে অনুষ্ঠানত বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ৰাজ সাহায্য বিতৰণ কৰা হয়।

মন্ত্ৰী বিমল বৰাই তিনিচুকীয়া জিলাত এই কাৰ্যসূচীৰ অধীনত হিতাধিকাৰীসকলক মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফ পত্ৰ বিতৰণ কৰে। সভাত বিধায়ক তথা ৰাজ্যিক খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধ্যক্ষ সঞ্জয় কিষাণে জিলাখনত বেছিকৈ উৎপাদন হোৱা কাজি নেমুৰে খাদ্য প্ৰসংস্কৰণ উদ্যোগ গঢ়ি তুলিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত ২৫৩ গৰাকী ব্যক্তিলৈ ৰাজ সাহায্য প্ৰদান কৰা হয়। লগতে দুৰ্যোগত ক্ষতিগ্ৰস্ত প্ৰায় ২০০টা পৰিয়ালক আৰ্থিক সাহায্য বিতৰণ কৰা হয়।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি ভৱনত সৌজন্যমূলক সাক্ষাৎ কৰে। ৰাজ্যপালগৰাকীয়ে এই সাক্ষাতকালত শ্ৰীমতী মুৰ্মুক অসমৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত অৱগত কৰে।

০০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক নাট মহোৎসৱৰ উপলক্ষে অঞ্চলটোত ভালেসংখ্যক নাট্যপ্ৰেমীৰ সমাগম হৈছে। আজি পুৱাৰ ভাগত তামিল ভাষাৰ নাট **তিনধান চৰ্থীৰাম** আৰু দিনৰ আঢ়ৈ বজাত **কিষাণ ৰাজ** নামৰ নাটখন মঞ্চস্থ কৰা হয়। বিশিষ্ট চিত্ৰশিল্পী ৰবিৰাম ব্ৰহ্মাই কালি পুৱা এই নাট সমাৰোহৰ শুভাৰম্ভ কৰিছিল। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা শালনিৰ মাজৰ এডোখৰ ভূমিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলত মঞ্চ তৈয়াৰ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজত কোনোধৰণৰ যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত হয়। থলুৱা সা-সঁজুলি আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলেও নাট পৰিৱেশনত অংশ লৈছে।

০০০০০

অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ৭ জানুৱাৰীলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত

হ'ব। তদুপলক্ষে পৰহিলৈ খেলপথাৰৰ বাকৰিত অসম গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰা হ'ব বুলি অসম প্ৰকাশন পৰিষদৰ  সচিব প্ৰমোদ কলিতাই জানিবলৈ দিছে।

০০০০০

ৰাজ্য চৰকাৰে আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ  বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতা আজিৰে পৰা শিৱসাগৰ নগৰৰ দৰবাৰ খেলপথাৰত অনুষ্ঠিত হৈছে। প্ৰবীন ক্ৰীড়াবিদ  ভোগেশ্বৰ বৰুৱাই আনুষ্ঠানিকভাৱে এই প্ৰতিযোগিতা উদ্বোধন কৰে। শিৱসাগৰ বিধানসভা এলেকাৰ ২৭ খন গাঁও পঞ্চায়তৰ পৰা নিৰ্বাচিত তিনি হাজাৰ ৫০০ খেলুৱৈ এই বিধানসভা পৰ্যায়ৰ প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে। প্ৰতিযোগিতাখনত এথলেটিক্স, ফুটবল, কাবাদী, চাইক্লিং, ডবাকে ধৰি কেইবাটাও খেল অনুষ্ঠিত হ'ব।

একেদৰে লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজি বিধানসভা পৰ্যায়ত খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। লখিমপুৰ বিধানসভা এলেকাৰ ১১ খন গাঁও পঞ্চায়ত আৰু পৌৰ সভা এলেকাৰ নিৰ্বাচিত এহেজাৰৰো অধিক খেলুৱৈয়ে প্ৰতিযোগিতাত অংগ্ৰহণ কৰে।

০০০০০

গুৱাহাটীত অনুষ্ঠিত এ এছ্ জে এ আন্তঃমিডিয়া ক্ৰীড়া মহোৎসৱৰ বদৰুদ্দিন আহমেদ টেবুল টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ পল্লৱীকা বৰুৱাই চেম্পিয়নৰ খিতাপ দখল কৰিছে। পল্লৱীকাই প্ৰীতি প্ৰিয়দৰ্শিনীক ১১-৪, ১১-৬ৰ ব্যৱধানত পৰাজিত কৰে। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত অনুষ্ঠিত এই খেলৰ পুৰুষৰ একক শাখাত দেৱজিৎ দত্তই চেম্পিয়নৰ খিতাপ দখল কৰে। আনহাতে পুৰুষৰ দলীয় শাখাত অসম ক্ৰীড়া সাংবাদিক সন্থাই খিতাপ লাভ কৰে। এই মহোৎসৱৰ পুৰুষ-মহিলাৰ বেডমিণ্টন প্ৰতিযোগিতা কাইলৈ আৰু পৰহিলৈ কনকলতা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ২০ ডিচেম্বৰত ডবা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

ব্ৰীজবেন টেষ্টত আজি ভাৰতে-অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰাণৰ বিশাল লক্ষ্য অনুসৰণ কৰি বৰ্ষাবিঘ্নিত তৃতীয় দিনাৰ খেলৰ অন্তত ৪ উইকেটৰ বিনিময়ত ৫১ ৰাণ সংগ্ৰহ কৰিছে। ভাৰত এতিয়াও অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ স্ক'ৰতকৈ ৩৯৪ ৰাণত পিছপৰি আছে। তৃতীয় দিনৰ খেল সামৰণি পৰাৰ সময়ত কে এল ৰাহুলে ৩৩ ৰাণ  আৰু অধিনায়ক ৰোহিত শৰ্মাই কোনো ৰাণ নকৰাকৈ বেট ধৰি আছিল। ইয়াৰ পূৰ্বে য়শস্বী জয়ছোৱালে ৪, শুভমন গিলে ১, বিৰাট কোহলিয়ে ৩ আৰু ৰিষভ পণ্টে ৯ ৰাণ কৰি আউট হয়। ইয়াৰ আগতে আজি পুৱা কালিৰ ৪০৫ ৰাণৰ পৰা খেলিবলৈ লৈ অষ্ট্ৰেলিয়াৰ ৪৪৫ ৰাণত আটাইকেইটা উইকেটৰ পতন ঘটে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৭৬ ৰাণত ৬টা উইকেট দখল কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-৭৮১০০৩ লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে। ০০০০০০

০০০০০

সমাপ্ত